প্ৰেছ বাৰ্তা নং ঃ ২৭৬/২০২২

# বাৰ কাউন্সিলৰ হীৰক জয়ন্তী অনুষ্ঠান তথা গুৱাহাটী উচ্চ ন্যায়ালয়ৰ সংগ্ৰহালয় উদ্বোধনী অনুষ্ঠানত অংশ গ্ৰহণ কৰিলে মুখ্যমন্ত্ৰীয়ে

## আমাৰ দেশৰ ন্যায়িক ব্যৱস্থাই আমাৰ সভ্যতাৰ বিভিন্ন যুগৰ স্বাক্ষৰ বহন কৰে ঃ মুখ্যমন্ত্ৰী

## নিম্ন আদালতৰ কাম-কাজ অধিক গতিশীল কৰাৰ বাবে ৰাজ্য চৰকাৰে ১০০ টা নতুন পদ সৃষ্টি কৰিব ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ১০ ছেপ্টেম্বৰ ঃ** ‘বেদ উপনিষদ আৰু অন্যান্য ধৰ্মীয় গ্ৰন্থৰ পৰা উদ্ভৱ হোৱা আইন আমাৰ দেশৰ ন্যায় ব্যৱস্থাৰ এখন উৰ্বৰ ক্ষেত্ৰ আছিল। আমাৰ দেশৰ ন্যায়পালিকাই আমাৰ গণতন্ত্ৰক এক সুদৃঢ় ভেটি দিছে। আমাৰ দেশৰ নাগৰিকৰ মৌলিক অধিকাৰ আৰু স্বাধীনতাৰ ৰক্ষক হিচাপে ন্যায়পালিকাই সদায়ে আইনৰ শাসন ৰক্ষা কৰাত আৰু আমাৰ গণতন্ত্ৰৰ চাৰিটা স্তম্ভৰ মাজত ক্ষমতাৰ ভাৰসাম্য ৰক্ষা কৰাত মূল ভূমিকা পালন কৰি আহিছে।’- আজি মহানগৰীৰ প্ৰাগজ্যোতি আই টি এ মাছখোৱাত আয়োজিত অসম, নগালেণ্ড, মিজোৰাম, অৰুণাচল প্ৰদেশ আৰু ছিকিমৰ বাৰ কাউন্সিলৰ হীৰক জয়ন্তী উদযাপন অনুষ্ঠানত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই এইদৰে কয়।

মুখ্যমন্ত্ৰীয়ে কয় যে আঠ দশকৰ দীঘলীয়া ইতিহাসত আজি এটা অতি উল্লেখযোগ্য দিন। এই অনুষ্ঠান উদযাপন সঁচাকৈয়ে উত্তৰ-পূৰ্বাঞ্চলৰ জনসাধাৰণৰ বাবে এক গৌৰৱময় মুহূৰ্ত। এই বাৰ কাউন্সিল হৈছে আমাৰ অঞ্চলৰ ঐতিহাসিক উত্তৰাধিকাৰ বহন কৰা গুৰুত্বপূৰ্ণ ৰাজহুৱা অনুষ্ঠানসমূহৰ ভিতৰত অন্যতম। বাৰ কাউন্সিলে হীৰক জয়ন্তী বৰ্ষৰ সময়ছোৱাত নিজৰ সংগঠন শক্তিশালী কৰাৰ বাবে লোৱা পদক্ষেপৰ কথা উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে অধিবক্তাসকলৰ বাবে অৰিয়েন্টেচন কাৰ্যসূচী আৰু ইয়াৰ সকলো ৰেকৰ্ড ডিজিটেলাইজড্ কৰা পদক্ষেপে সংগঠনটোক অধিক শক্তিশালীভাৱে আগুৱাই যোৱাৰ দিশত সহায় কৰিব। মুখ্যমন্ত্ৰীয়ে কয় যে আমাৰ দেশৰ ন্যায়পালিকাৰ এক দীঘলীয়া ইতিহাস আছে। ইয়ে আমাৰ গণতান্ত্ৰিক ভেটি সুদৃঢ় কৰিছে। কেন্দ্ৰ আৰু ৰাষ্ট্ৰৰ মাজত, ৰাষ্ট্ৰ আৰু নাগৰিকৰ মাজত আৰু ৰাজ্যসমূহৰ মাজত হোৱা বিবাদ নিষ্পত্তিৰ ক্ষেত্ৰত আমাৰ দেশৰ ন্যায়পালিকাই মানৱ অধিকাৰৰ প্ৰকৃত ৰক্ষক, সংবিধানৰ ৰক্ষক আৰু আমাৰ যুগ যুগ ধৰি চলি অহা গণতান্ত্ৰিক নীতিৰ গতি শীলতাৰ দিশতো নিজৰ দায়িত্ব পালন কৰিছে। আমাৰ ন্যায়পালিকাই কেৱল ন্যায় প্ৰদান কৰাতেই নিজৰ ক্ষমতা সীমাবদ্ধ কৰি ৰখা নাই। এই পবিত্ৰ অনুষ্ঠানটোৱে আমাৰ নাগৰিকসকলক তেওঁলোকৰ অধিকাৰৰ বিষয়ে ভালদৰে অৱগত হ’বলৈ প্ৰয়াস চলাই আহিছে।

জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

মুখ্যমন্ত্ৰীয়ে কয় যে আমাৰ দেশৰ ন্যায়িক ব্যৱস্থাই আমাৰ সভ্যতাৰ বিভিন্ন যুগৰ স্বাক্ষৰ বহন কৰে, যি বিশ্বৰ আটাইতকৈ পুৰণি সভ্যতাৰ ভিতৰত অন্যতম। ধৰ্মীয় নিৰ্দেশনা আৰু দাৰ্শনিক বক্তৃতাৰ ক্ষেত্ৰত আমাৰ দেশৰ আইনৰ এক গৌৰৱময় ইতিহাস আছে। অনাদি কালৰে পৰা আমাৰ দেশত ন্যায় প্ৰশাসনৰ এক সুবিকশিত ব্যৱস্থা আছিল। প্ৰাচীন ভাৰতীয় আইন ধৰ্মৰ নীতি বা ন্যায়ৰ ওপৰত আধাৰিত আছিল।, য'ত প্ৰাকৃতিক ন্যায়ৰ নীতিৰ কথা কোৱা হৈছিল। সেই একেটা নীতিয়ে আজিও আমাৰ দেশৰ ন্যায়িক ব্যৱস্থাক শাসন কৰি আহিছে বুলি তেওঁ কয়। মুখ্যমন্ত্ৰীয়ে কয় যে বছৰ বছৰ ধৰি আমাৰ ন্যায়পালিকাই কেৱল আইনী ব্যৱস্থাটোৰ বংশবৃক্ষ সৃষ্টি কৰাই নহয়, ইয়াৰ উচ্চ মানদণ্ড আৰু উচ্চতম আদৰ্শৰ বাবে বিশ্বজুৰি অনন্য সুখ্যাতিও লাভ কৰিছে। তেওঁ কয় যে আমাৰ আদালতে দিয়া বহুতো উল্লেখনীয় ৰায়দানে আমাৰ আইনী আৰু সাংবিধানিক পৰিকাঠামোক শক্তিশালী কৰি তুলিছে। ন্যায়াধীশ আৰু অধিবক্তাসকলৰ বৌদ্ধিক জ্ঞান আৰু আইনী বুদ্ধিমত্তাই আমাৰ ন্যায়পালিকাক এক বিৰল বৌদ্ধিক গভীৰতা, সজীৱতা প্ৰদান কৰিছে। মুখ্যমন্ত্ৰীয়ে নতুন প্ৰজন্মৰ অধিবক্তাসকলক দেশৰ আইনী ব্যৱস্থাক অধিক জনমুখী কৰি তুলিবলৈ চিন্তা আৰু প্ৰয়োজনীয় পদক্ষেপ গ্ৰহণ কৰিবলৈ আহ্বান জনায়।

মুখ্যমন্ত্ৰীয়ে কয় যে ৰাজ্যৰ ন্যায় প্ৰদান ব্যৱস্থা শক্তিশালী কৰাৰ বাবে ৰাজ্য চৰকাৰে নিম্ন আদালতত ১০০ টা পদ সৃষ্টি কৰিব। তেওঁ কয় যে কেন্দ্ৰীয় চৰকাৰে সমগ্ৰ দেশৰ ন্যায় ব্যৱস্থাটোৰ আন্তঃগাঁথনি শক্তিশালীকৰণৰ বাবে ৯ হাজাৰ কোটি টকাৰ অনুমোদন জনাইছে। অসমে ইয়াৰ পৰা তিনিশ কোটি টকা লাভ কৰিব বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে ৰাজ্য চৰকাৰেও এই ক্ষেত্ৰত আৰু ৩০০ কোটি টকা প্ৰদান কৰিব। মুখ্যমন্ত্ৰীয়ে কয় যে ওকালতিৰ পৰা অৱসৰ গ্ৰহণ কৰাৰ পিছত অধিবক্তাসকলক সামাজিক সুৰক্ষা প্ৰদান কৰাৰ বাবে ৰাজ্য চৰকাৰে আঁচনি গ্ৰহণৰ চিন্তা-চৰ্চা কৰিব।

আজিৰ এই অনুষ্ঠানত কেন্দ্ৰীয় আইন আৰু ন্যায় মন্ত্ৰী কিৰেণ ৰিজিজু, উচ্চতম ন্যায়ালৰ ন্যায়াধীশ সূৰ্যকান্ত, ন্যায়াধীশ হৃষিকেশ ৰায়, ন্যায়াধীশ সুধাংশু ধুলীয়া, গুৱাহাটী উচ্চ ন্যায়ালৰ মুখ্য ন্যায়াধীশ আৰ এম চছায়া, ছত্তিশগড় উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ অৰূপ কুমাৰ গোস্বামী, তেলেংগানা উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ উজ্জ্বল কুমাৰ ভূঞা, চলিছিটৰ জেনেৰেল তুষাৰ মেহতা, ভাৰতৰ বাৰ কাউন্সিলৰ সভাপতি তথা জ্যেষ্ঠ অধিবক্তা মানন কুমাৰ মিশ্ৰ, অসম, নগালেণ্ড, মিজোৰাম, অৰুণাচল প্ৰদেশ আৰু ছিকিম বাৰ কাউন্সিলৰ সভাপতি গজানন্দ চাহেৰালা, ভাৰতৰ বাৰ কাউন্সিলৰ উপ-সভাপতি  এছ প্ৰভাকৰণ, ভাৰতৰ বাৰ কাউন্সিলৰ কাৰ্যকৰী সমিতিৰ সভাপতি অপূৰ্ব কুমাৰ শৰ্মা  প্ৰমুখ্যে ন্যায়াধীশ, প্ৰাক্তন ন্যায়াধীশজ্যেষ্ঠ অধিবক্তা, আইনৰ ছাত্ৰ-ছাত্ৰী তথা গণ্যমান্য ব্যক্তিসকল উপস্থিত থাকে।

ইয়াৰ পূৰ্বে মুখ্যমন্ত্ৰীয়ে উচ্চ ন্যায়ালয়ৰ পুৰণি ব্লকত গুৱাহাটী উচ্চ ন্যায়ালয়ৰ সংগ্ৰহালয় উদ্বোধনী অনুষ্ঠানতো  অংশ গ্ৰহণ কৰে।

**পুঃডেঃ/ অয়ন / হেঃ শঃ**
**১০/০৯/২০২২**

**Website:** cm.assam.gov.in/assam.mygov.in    **E-mail:** cmprcell09@gmail.com
/CMOfficeAssam / /cmofficeassam    cmassam.prcell@gov.in